**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-12-2024
**Time :** 07-55 Hrs

***Assamese Morning Bulletin***
***Headlines***
**---------------------**

অসম সাহিত্য সভাৰ ২০২৫-২৭ বৰ্ষৰ বাবে ড০ বসন্ত কুমাৰ গোস্বামী সভাপতি হিচাপে নিৰ্বাচিত হৈছে। গোস্বামীয়ে ৪০৩টা ভোট লাভ কৰাৰ বিপৰীতে ড০ উপেন ৰাভা হাকাছামে ৩২৫টা ভোট লাভ কৰিছে। একেদৰ উপ-সভাপতি পদত পদুম ৰাজখোৱাই ৩৮৯টা ভোট লাভ কৰি জয়ী হয়। বিপিন কলিতাই ২৪৩টা আৰু চহিৰ ভূঞাই ৯৯টা ভোট লাভ কৰে। প্ৰধান সম্পাদক পদত অজিত প্ৰসাদ শৰ্মাক পৰাজিত কৰি দেৱজিত বৰা জয়ী হৈছে। দেৱজিত বৰাই ৪০৫টা ভোট লাভ কৰাৰহ বিপৰীতে অজিত প্ৰসাদ শৰ্মাই ২৪০টা ভোট লাভ কৰে। কামৰূপ জিলা সাহিত্য সভাৰ উদ্যোগত কালি দদৰাত অনুষ্ঠিত কাৰ্যনিৰ্বাহ বৈঠকত সামৰণিৰ দিনটোত ভোটগণনা সম্পন্ন হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসম সাহিত্য সভাৰ সভাপতি হিচাপে নিৰ্বাচিত হোৱা ড০ বসন্ত কুমাৰ গোস্বামীক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে। তেওঁ লগতে সভাৰ বিভিন্ন বিষয়বাবত নৱনিৰ্বাচিত প্ৰতিগৰাকী ব্যক্তিকে অভিনন্দন জ্ঞাপন কৰে। তেওঁ কয় যে বিশিষ্ট সাহিত্যিকগৰাকীৰ বলিষ্ঠ ভূমিকাত অসম সাহিত্য সভাই নতুন গতি লাভ কৰিব। অসমৰ ভাষা-সাহিত্য সংস্কৃতিক বিশ্বমুখী কৰাৰ ক্ষেত্ৰত অসম সাহিত্য সভাই বিভিন্ন পৰিকল্পনা লৈ আগবাঢ়ি যাব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

০০০০০০

গোলাঘাট জিলাৰ খুমটাইত আজিৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে তৃতীয় পৰ্যায়ত খুমটাই উদ্ভিদ আৰু পুষ্প মহোৎসৱৰ আয়োজন কৰা হৈছে। মন্ত্ৰী অতুল বৰাই বিধায়ক মৃণাল শইকীয়াৰ সৈতে কালি এই উৎসৱ সন্দৰ্ভত আলোচনাত মিলিত হয়। এই প্ৰয়াসৰ জৰিয়তে ৰাইজে নতুন অভিজ্ঞতা লাভ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। উদ্ভিদ আৰু ফুলৰ ব্যৱসায়ৰ সৈতে জড়িত যুৱ উদ্যমীসকলক উৎসাহ যোগোৱা তথা ৰাইজৰ হিতাৰ্থে গ্ৰহণ কৰা এনে পদক্ষেপৰ বাবে তেওঁ বিধায়কগৰাকীক ধন্যবাদ জনায়।

০০০০০০

বছৰৰ শেষৰছোৱা সময়ত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত দেশী-বিদেশী পৰ্যটকৰ ভিৰ পৰিলক্ষিত হৈছে। বছৰৰ অন্তিমটো দেওবাৰে কাজিৰঙাত অত্যাধিক পৰ্যটকৰ আগমন ঘটাত উদ্যান দৰ্শন কৰিবলৈ জীপ আৰু হাতীৰ অভাৱ পৰিলক্ষিত হৈছে। এনে পৰিস্থিতিৰ সুযোগ গ্ৰহণ কৰি একাংশ জীপ চালকে পৰ্যটকৰ পৰা অত্যাধিক ধন আদায় কৰাৰ অভিযোগ উত্থাপন হৈছে। উদ্যানখনলৈ অত্যাধিক পৰ্যটকৰ আগমন ঘটাৰ বাবে জখলাবন্ধাৰ পৰা বোকাখাটলৈ সকলো পৰ্যটন নিবাসৰ কোঠা আগতীয়াকৈ সংৰক্ষণ কৰা হৈছে। ইয়াৰ ফলত বহু দেশী-বিদেশী পৰ্যটকে নিশা যাপনৰ বাবে অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে।

০০০০০০

ৰাজ্যিক নিৰ্বাচন আয়োগে ৰাজ্যৰ গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদীয় সমষ্টিসমূহৰ পুনৰ নিৰ্ধাৰিত সীমা অনুসৰি পঞ্চায়ত নিৰ্বাচনৰ ভোটদাতাৰ চূড়ান্ত তালিকা প্ৰকাশ কৰিছে। ষষ্ঠ অনুসূচীৰ

এলেকা আৰু পৌৰ নিগমৰ এলেকাসমূহক বাদ দি এই তালিকা প্ৰকাশ কৰা হৈছে। ২৭ খন জিলাত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ মুঠ ভোটদাতাৰ সংখ্যা ১ কোটি ৮০ লাখ ১৪ হাজাৰ ৯১৩। ইয়াৰে ৯০ লাখ ৬০ হাজাৰ ৬৪০ জন পুৰুষ আৰু ৮৯ লাখ ৫৩ হাজাৰ ৮৬৫ গৰাকী মহিলা ভোটদাতা। লগতে ৪০৮ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। ভোটদাতাসকলে ৩৫৭ খন জিলা পৰিষদ, ১৮১ খন আঞ্চলিক পঞ্চায়ত, ২ হাজাৰ ১৯২ খন গাঁও পঞ্চায়ত আৰু ২১ হাজাৰ ৯২০টা ৱাৰ্ডৰ বাবে ভোটদান কৰিব। জিলা আয়ুক্তৰ কাৰ্যালয়, জিলা পৰিষদ, গাঁও পঞ্চায়ত অথবা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়লৈ গৈ ভোটদাতাসকলে ভোটদাতাৰ তালিকাত নাম পৰীক্ষা কৰিব পাৰিব। ইয়াৰ লগতে ৰাজ্যিক নিৰ্বাচন আয়োগৰ ৱেবছাইটযোগেও ভোটদাতাৰ তালিকাত নিজৰ নাম চাব পাৰিব। চূড়ান্ত ভোটদাতাৰ তালিকাত ফটোযুক্ত পৰিচয় পত্ৰৰ নম্বৰ প্ৰদান কৰিও নিজৰ নাম পৰীক্ষা কৰিব পাৰিব।

000000

বোকাখাতত কেইদিনমানপূৰ্বে বনৰীয়া ম'হ এটাই কেইবাজনো লোকক আক্ৰমণ কৰাৰ লগতে অঞ্চলটোত সন্ত্ৰাসৰ সৃষ্টি কৰি আছিল। স্থানীয় ৰাইজে বন বিভাগক খবৰ দিয়াৰ পাছত বনকৰ্মী আৰু আৰক্ষীৰ লোক আহি ৰাইজৰ নিৰাপত্তা নিশ্চিত কৰে। সন্ধিয়া শূন্যলৈ গুলী ফুটাই ম'হটো আঁতৰাই নিয়াৰ চেষ্টা কৰিছিল যদিও আন্ধাৰ হোৱাৰ বাবে ইয়াৰ গতিবিধি ধৰিব নোৱাৰাত বন বিভাগৰ দলটোৱে নিশাটো অপেক্ষা কৰে। কিন্তু কালি এখন জাৰণিত স্থানীয় ৰাইজে ম'হটো মৃত অৱস্থাত প্ৰত্যক্ষ কৰে। ম'হটোৰ মৃত্যুৰ কাৰণ এতিয়ালৈকে জানিব পৰা হোৱা নাই।

000000

শিৱসাগৰৰ বৰ্ডিং খেলপথাৰত অনুষ্ঠিত অসম ৰছীটনা প্ৰতিযোগিতাৰ কালি সামৰণি পৰে। দুই শতাধিকৰো অধিক প্ৰতিযোগিৰ অংশগ্ৰহণেৰে অনুষ্ঠিত প্ৰতিযোগিতাৰ পুৰুষ শাখাত কামৰূপ দলে চূড়ান্ত বিজয়ী সন্মান লাভ কৰে। প্ৰতিযোগিতাত গোলাঘাট আৰু শোণিতপুৰ দলে ক্ৰমে দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। আনহাতে মহিলাৰ শাখাত গোলাঘাট চেম্পিয়ন হোৱাৰ লগতে দ্বিতীয় আৰু তৃতীয় শ্ৰেষ্ঠ জিলা হিচাপে শোণিতপুৰ আৰু ডিমাহাচাও নিৰ্বাচিত হয়।

000000

সমাপ্ত